ভাৰত চৰকাৰ
বিধি, ন্যায় আৰু কোম্পানী কাৰ্য্য মন্ত্ৰালয়

# অভ্ৰখনি শ্ৰম কল্যাণ নিধি অধিনিয়ম, ১৯৪৬

( ১৯৪৬ চনৰ ২২ নং অধিনিয়ম )

[ ২৫ নৱেম্বৰ, ১৯৯২ তাৰিখে যথাবিদ্যমান ]

# The Mica Mines Labour Welfare Fund Act, 1946

( Act No. 22 of 1946 )

[ As on the 25th November, 1992 ]

ভাৰত চৰকাৰৰ হকে, অসম চৰকাৰ ( বিধান বিভাগ ) ৰ দ্বাৰা প্ৰকাশিত আৰু
অসম চৰকাৰী ছপাশালত মুদ্ৰিত, গুৱাহাটী - ২১

# পাতনি

২৫ নবেম্বৰ, ১৯৯২ তাৰিখে যথাবিদ্যমান অভ্ৰখনি শ্ৰম কল্যাণ নিধি অধিনিয়ম, ১৯৪৬ (১৯৪৬ চনৰ ২২ নং)ৰ এই সংস্কৰণত এই অধিনিয়মৰ অসমীয়াত প্ৰাধিকৃত পাঠ আছে যি ১৯।৪।১৯৯৩ তাৰিখৰ ভাৰতৰ ৰাজপত্ৰ, অসাধাৰণ, ভাগ-৬, অনুভাগ ১, নং ১, খণ্ড ২, পৃষ্ঠা ৩ - ৬ ত প্ৰকাশিত হৈছিল।

প্ৰাধিকৃত পাঠ (কেন্দ্ৰীয় বিধি) অধিনিয়ম, ১৯৭৩ৰ ধাৰা ২ৰ খণ্ড (ক)ৰ অধীনত ৰাষ্ট্ৰপতিৰ প্ৰাধিকাৰাধীনে এই প্ৰাধিকৃত পাঠ প্ৰকাশ কৰা হৈছিল আৰু এনেদৰে প্ৰকাশ হোৱাত ই অসমীয়াত এই অধিনিয়মৰ প্ৰাধিকৃত পাঠ ৰূপে গণ্য হ'ব।

# PREFACE

This edition of The Mica Mines Labour Welfare Fund Act, 1946 (22 of 1946) as on the 25th November, 1992 contains the authoritative text of that Act in Assamese which was published in the Gazette of India, Extraordinary, part VI, Section 1, No. 1, Vol. 2, dated 19th April, 1993, on page 3 - 6.

This authoritative text was published under the authority of the President under section 2, clause (a) of the Authoritative text (Central Laws) Act, 1973 and on such publication it became the authoritative text of that Act in Assamese.

New Delhi

Date :- 10.5.1993

P. Pramila Reddy,
Additional Legislative Counsel.

# অভ্ৰখনি শ্ৰম কল্যাণ নিধি অধিনিয়ম, ১৯৪৬

## ধাৰাসমূহৰ ক্ৰম

ধাৰাসমূহ

১। সংক্ষিপ্ত নাম আৰু বিস্তাৰ।

২। এটা উপকৰৰ আৰোপণ আৰু সংগ্ৰহ।

৩। অভ্ৰখনি শ্ৰম কল্যাণ নিধি।

৪। উপদেষ্টা সমিতি।

৫। পদাধিকাৰী সকলৰ নিযুক্তি আৰু ক্ষমতা সমূহ।

৬। নিয়মাবলী প্ৰণয়ন কৰাৰ ক্ষমতা।

# অভ্রখনি শ্ৰম কল্যাণ নিধি অধিনিয়ম, ১৯৪৬

( ১৯৪৬ ৰ ২২ )

[ ২৫ নবেম্বৰ, ১৯৯২ তাৰিখে যথাবিদ্যমান ]

[ ২৩ এপ্ৰিল, ১৯৪৬ ]

অভ্ৰ খনন উদ্যোগত নিয়োজিত শ্ৰমিকৰ কল্যাণ অভিবৃদ্ধিৰ কাম-কাজ বিলাকত বিত্তীয় ব্যবস্থা কৰণাৰ্থে এটা নিধি গঠন কৰিবলৈ এখনি অধিনিয়ম।

যিহেতু অভ্ৰ খনন উদ্যোগত নিয়োজিত শ্ৰমিকৰ কল্যাণ অভিবৃদ্ধিৰ কাম-কাজ বিলাকত বিত্তীয় ব্যবস্থা কৰাৰ বাবে এটা নিধি গঠন কৰাটো বিধেয় ;

এতদ্দ্বাৰা তলত দিয়া ধৰণে অধিনিয়মিত কৰা হ'ল ঃ-

**সংক্ষিপ্ত নাম আৰু বিস্তাৰ ।**

১। (১) এই অধিনিয়ম অভ্ৰখনি শ্ৰম কল্যাণ নিধি অধিনিয়ম, ১৯৪৬ বুলি অভিহিত হব।

(২) ইয়াৰ বিস্তাৰ [ জম্মু আৰু কাশ্মীৰ ৰাজ্যৰ বাহিৰে ] সমগ্ৰ ভাৰততে হৈছে।

**এটা উপকৰৰ আৰোপণ আৰু সংগ্ৰহ ।**

২। (১) কেন্দ্ৰীয় চৰকাৰে এই মৰ্মে চৰকাৰী ৰাজপত্ৰত অধিসূচনাৰ দ্বাৰা নিয়ত কৰা এনে তাৰিখৰ পৰা এই অধিনিয়মৰ উদ্দেশ্যে এই অধিনিয়ম বিস্তৃত হোৱা অঞ্চল সমূহৰ পৰা ৰপ্তানি হোৱা যি ৰাজ্যতে নহওক, সকলোবোৰ অভ্ৰৰ ওপৰত, কেন্দ্ৰীয় চৰকাৰে চৰকাৰী ৰাজপত্ৰত অধিসূচনাৰে সময়ে সময়ে মূল্যানুসাৰে ধাৰ্য্য কৰা শতকৰা ছয় আৰু এক চতুৰ্থাংশৰ অধিক নোহোৱা এনে হাৰত উপকৰ হিচাপে এটা সীমা শুল্ক উৎগ্ৰহণ আৰু সংগ্ৰহ কৰা হব ঃ

পৰন্তু, ১৯৪৭ চনৰ পহিলা এপ্ৰিললৈকে, সেইদৰে ধাৰ্য্য কৰা শুল্কৰ হাৰ মূল্যানুসাৰে আঢৈ শতাংশৰ অধিক নহব।

(২) প্ৰতি মাহৰ শেষ দিনত আৰু তাৰ পিচত যিমান সোনকালে সুবিধা হয়, সিমান সোনকালে অভ্ৰখনি শ্ৰম কল্যাণ নিধি ( ইয়াৰ পিচত নিধি বুলি নিৰ্দ্দেশিত ) বুলি অভিহিত এটা নিধিৰ জমাত সংগ্ৰহ আৰু আদায় কৰাৰ কাৰণে যদি কোনো খৰছ থাকে, সেইখিনি বাদ দিয়াৰ পিচত, সেই মাহত আদায় কৰা সীমা শুল্কৰ আগমখিনি দিব লাগিব।

---

× ধাৰ্য্য কৰা হাৰ মূল্যানুসাৰে আঢৈ শতাংশ ১ - ৪ - ১৯৫০ ৰ পৰা প্ৰভাৱী হোৱাকৈ - ভাৰতৰ ৰাজপত্ৰ ১৯৫০, ভাগ ১, অনুভাগ ১ পৃষ্ঠা ৩৯৩ চাওঁক।

**অভ্ৰখনি শ্ৰম কল্যাণ নিধি ।**

৩। (১) অভ্ৰ খনন উদ্যোগত নিয়োজিত শ্ৰমিক সকলৰ কল্যাণৰ অভিবৃদ্ধিৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ মতে আৱশ্যকীয় বা সমীচীন হোৱা ব্যৱস্থাবলীৰ সংক্ৰান্তত ব্যয় সমূহ বহন কৰিবলৈ কেন্দ্ৰীয় চৰকাৰে এই নিধি ব্যৱহাৰ কৰিব।

(২) উপধাৰা (১) ৰ ব্যাপকতাৰ ওপৰত প্ৰতিকূল প্ৰভাৱ নেপেলোৱাকৈ এই নিধি —

(ক) অভ্ৰ খনন উদ্যোগত নিয়োজিত শ্ৰমিকৰ হিতাৰ্থে ব্যৱস্থাবলীৰ ব্যয় ---

(i) জন স্বাস্থ্য আৰু স্বাস্থ্য ৰক্ষাৰ উন্নতি সাধন, ৰোগ নিবাৰণ, চিকিৎসাৰ সা-সুবিধা বিলাকৰ ব্যৱস্থা আৰু উন্নতি সাধন,

(ii) পানী যোগান আৰু ধোৱাৰ বাবে সুবিধা সমূহৰ ব্যৱস্থা আৰু উন্নতি সাধন,

(iii) শিক্ষা সম্বন্ধীয় সুবিধা বিলাকৰ ব্যৱস্থা আৰু উন্নতি সাধন,

(iv) গৃহ আৰু পুষ্টি অন্তৰ্ভুক্ত কৰি, জীৱন নিৰ্বাহৰ মানৰ উন্নতি সাধন, সামাজিক অৱস্থা বিলাকৰ উৎকৰ্ষ সাধন আৰু বিশ্ৰামৰ সা-সুবিধা বিলাকৰ ব্যৱস্থা কৰণ,

(v) কামলৈ আৰু কামৰ পৰা অহা যোৱাৰ ব্যৱস্থা,

[1](vi) [ পৰিয়াল পৰিকল্পনা শিক্ষা আৰু সেৱাসমূহ অন্তৰ্ভুক্ত কৰি, পৰিয়াল কল্যাণৰ ব্যৱস্থা, ]

(খ) কেন্দ্ৰীয় চৰকাৰে অনুমোদন কৰা কোনো আঁচনিৰ সাহায্যাৰ্থে ৰাজ্য চৰকাৰ, স্থানীয় প্ৰাধিকাৰী বা কোনো অভ্ৰখনিৰ মালিক, অভিকৰ্ত্তা বা পৰিচালকলৈ নিধিটো সদ্ ব্যৱহাৰ কৰিব পৰা কোনো উদ্দেশ্যৰ কাৰণে ধন মঞ্জুৰী ;

(গ) ধাৰা ৪ ৰ অধীনত গঠিত উপদেষ্টা সমিতিৰ সদস্য সকলৰ ভাত্তা সমূহ, যদি থাকে, আৰু ধাৰা ৫ ৰ অধীনত নিযুক্ত পদাধিকাৰী সকলৰ, যদি থাকে, দৰমহা আৰু ভাত্তা অন্তৰ্ভুক্ত কৰি নিধিৰ প্ৰয়োগৰ ব্যয় ;

(ঘ) কেন্দ্ৰীয় চৰকাৰে নিধিৰ পৰা বহন কৰিবলৈ নিৰ্দ্দেশ দিয়া আন কোনো খৰছ ;

বহন কৰাত সৎব্যৱহাৰ কৰিব পাৰিব।

(৩) কোনো নিৰ্দ্দিষ্ট খৰছ নিধিৰ পৰা বিকলনীয় হয় নে নহয় সেই বিষয়ে কেন্দ্ৰীয় চৰকাৰৰ সিদ্ধান্ত কৰাৰ ক্ষমতা থাকিব আৰু ইয়াৰ সিদ্ধান্তই চুড়ান্ত হব।

(৪) কেন্দ্ৰীয় চৰকাৰে নিধিৰ প্ৰাপ্তি আৰু ব্যয়ৰ এটা প্ৰাক্কলন আৰু হিচাপবোৰৰ প্ৰবিবৰণৰ সৈতে, নিধিৰ পৰা বিত্তীয় ব্যৱস্থা কৰা কাম-কাজ বিলাকৰ প্ৰতিবেদন চৰকাৰী ৰাজপত্ৰত বছৰি প্ৰকাশ কৰিব।

---

১। ১৯৮৭ চনৰ ১৫ নং অধিনিয়মৰ দ্বাৰা অন্তঃস্থাপিত।

উপদেষ্টা সমিতি । ৪। (১) কেন্দ্ৰীয় চৰকাৰে এই অধিনিয়মৰ বা নিধিৰ প্ৰয়োগৰ পৰা উদ্ভব হোৱা, কোনো বিষয়ে কেন্দ্ৰীয় চৰকাৰক পৰামৰ্শ দিবলৈ যিমান সংখ্যক উচিত বিবেচনা কৰে সিমান সংখ্যক কিন্তু প্ৰত্যেক ৰাজ্যৰ বাবে এখনতকৈ অধিক নহয়, উপদেষ্টা সমিতি গঠন কৰিব ।

(২) উপদেষ্টা সমিতিৰ সদস্যসকল কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা নিযুক্ত হব আৰু এই অধিনিয়মৰ অধীনত প্ৰণীত নিয়ম বিলাকৰ দ্বাৰা বিহিত কৰা মতে তেনে সংখ্যাৰ হব আৰু তেনে ৰীতিৰে বাছনি কৰা হব ঃ

পৰন্তু, প্ৰত্যেক সমিতিয়ে অভ্ৰখনিৰ মালিকসকল আৰু অভ্ৰখনন উদ্যোগত নিয়োজিত কৰ্মী বিলাকক প্ৰতিনিধিত্ব কৰা এটা সমান সংখ্যাৰ সদস্য অন্তৰ্ভুক্ত কৰিব আৰু প্ৰত্যেক সমিতিৰ অন্ততঃ এজন সদস্য এগৰাকী মহিলা হব আৰু প্ৰত্যেক সমিতিৰ অন্ততঃ এজন সদস্য সংশ্লিষ্ট ৰাজ্যখনৰ বিধান মণ্ডলৰ সদস্য হব ।

(৩) প্ৰত্যেকখন উপদেষ্টা সমিতিৰ চেয়াৰমেনজন কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা নিযুক্ত হব ।

(৪) কেন্দ্ৰীয় চৰকাৰে উপদেষ্টা সমিতি সমূহৰ সকলো সদস্যৰ নামবোৰ চৰকাৰী ৰাজপত্ৰত প্ৰকাশ কৰিব ।

পদাধিকাৰী সকলৰ নিযুক্তি আৰু ক্ষমতা সমূহ । ৫। (১) কেন্দ্ৰীয় চৰকাৰে নিধিটোৰ প্ৰয়োগ কৰিবলৈ বা নিধিৰ পৰা বিত্তীয় ব্যৱস্থা কৰা কাম-কাজ বিলাকৰ তদাৰক বা সম্পাদন কৰিবলৈ পৰিদৰ্শকসকল, কল্যাণ প্ৰশাসকসকল আৰু আৱশ্যক বিবেচনা কৰা মতে এনে আন পদাধিকাৰীসকল নিযুক্ত কৰিব পাৰে ।

(২) সেইদৰে নিযুক্ত হোৱা প্ৰত্যেকজন পদাধিকাৰী ভাৰতীয় দণ্ড সংহিতাৰ ২১ ধাৰাৰ অৰ্থৰ ভিতৰত লোক সেৱক বুলি গণ্য হব ।

(৩) কোনো পৰিদৰ্শক বা কল্যাণ প্ৰশাসকে ---

(ক) তেওঁ উচিত বিবেচনা কৰা মতে, এনে সাহায্যসহ যদি থাকে, কোনো যুক্তিযুক্ত সময়ত নিধিৰ পৰা বিত্তীয় ব্যৱস্থা কৰা কাম-কাজ বিলাক তদাৰক কৰাৰ বা সম্পাদন কৰাৰ উদ্দেশ্যে প্ৰবেশ কৰাৰ আৱশ্যক যেন দেখা কোনো ঠাইত প্ৰবেশ কৰিব পাৰে, আৰু

(খ) এনে ঠাইত তেওঁৰ কৰ্ত্তব্যৰ সমুচিত নিৰ্বহনৰ কাৰণে আৱশ্যক হোৱা কোনো কাম কৰিব পাৰে ।

**নিয়মাৱলী প্ৰণয়ন কৰাৰ ক্ষমতা।**

৬। (১) কেন্দ্ৰীয় চৰকাৰে চৰকাৰী ৰাজপত্ৰত অধিসূচনাৰে এই অধিনিয়মৰ উদ্দেশ্য সমূহ কাৰ্য্যকৰী কৰিবলৈ নিয়মাৱলী প্ৰণয়ন কৰিব পাৰে।

(২) পূৰ্ববৰ্ত্তী ক্ষমতাৰ ব্যাপকতাৰ ওপৰত প্ৰতিকূল প্ৰভাৱ নেপেলোৱাকৈ এনে নিয়মাৱলীয়ে ---

(ক) ধাৰা ২ ৰ উপধাৰা (১) ৰ দ্বাৰা আৰোপিত সীমা শুল্কৰ প্ৰত্যৰ্পণ, হ্ৰাসকৰণ আৰু আদায় সমূহ ;

(খ) ধাৰা ৪ৰ অধীনত গঠিত উপদেষ্টা সমিতি সমূহৰ গঠন, কি ৰীতিৰে তাৰ সদস্য বিলাক বাছনি কৰা হ'ব, এনে সদস্য সকলৰ পদাৱধি, তেওঁলোকক প্ৰদেয় কোনো ভাত্তা, থাকিলে, সেই ভাত্তা আৰু কি ৰীতিৰে উপদেষ্টা সমিতি বিলাকে, সেই বিলাকৰ কাম-কাজ পৰিচালনা কৰিব ;

(গ) ধাৰা ৩ৰ (২) উপধাৰাৰ (খ) খণ্ডৰ অধীনত নিধিৰ পৰা ধন মঞ্জুৰী বিনিয়মিত কৰা চৰ্ত্তাৱলী ;

(ঘ) ধাৰা ৩ৰ (৪) উপধাৰাত নিৰ্দ্দিষ্ট প্ৰাক্‌কলন আৰু প্ৰবিবৰণৰ প্ৰপত্ৰ ;

(ঙ) ধাৰা ৫ৰ অধীনত নিযুক্ত সকলো পদাধিকাৰীৰ সেৱা-চৰ্ত্তাৱলী আৰু কৰ্ত্তব্য সমূহ ;

(চ) অভ্ৰখনিৰ মালিক বা অভিকৰ্ত্তা বা পৰিচালক সকলৰ দ্বাৰা পৰিসংখ্যা সম্বন্ধীয় বা আন তথ্য দাখিল কৰা আৰু এই খণ্ডৰ অধীনত প্ৰণীত কোনো নিয়মৰ আৱশ্যকতা পালনত ব্যৰ্থতাৰ বাবে জৰিমনাৰে শাস্তি দিয়াৰ বিষয়ে,

উপবন্ধ কৰিব পাৰে।

[১] [(৩) এই অধিনিয়মৰ অধীনত প্ৰণীত প্ৰত্যেক নিয়ম ইয়াক প্ৰণয়ন কৰাৰ পিছত যিমান সোনকালে সম্ভৱ হয়, অধিবেশন চলি থকা সময়ত এখন অধিবেশন বা দুখন বা ততোধিক ক্ৰমাগত অধিবেশনৰে গঠিত হ'ব পৰা মুঠ ত্ৰিশ দিন কালৰ বাবে সংসদৰ প্ৰত্যেক সদনৰ সন্মুখত উপস্থাপন কৰিব লাগিব, আৰু যদিহে উপৰোক্ত অধিবেশনৰ অব্যৱহিত পৰৱৰ্ত্তী অধিবেশন, বা ক্ৰমাগত অধিবেশনসমূহৰ অৱসানৰ পূৰ্বে, উভয় সদনে নিয়মত কোনো সালসলনি কৰিবলৈ সন্মত হয় বা উভয় সদনে সন্মত হয় যে নিয়ম প্ৰণয়ন কৰিব নালাগে, তেন্তে তাৰ পিছত নিয়ম, ক্ষেত্ৰ বিশেষে, এনে সালসলনিৰ আকাৰত প্ৰভাৱী হ'ব বা একেবাৰে প্ৰভাৱী নহ'ব ; সেয়ে হলেও এনে সালসলনি বা ৰদ্‌কৰণে সেই নিয়মৰ অধীনত পূৰ্বেকৃত কোনো কাৰ্য্যৰ বিধিমান্যতাৰ ওপৰত প্ৰতিকূল প্ৰভাৱ নেপেলাব।]

---

১। অভ্ৰ খনি শ্ৰম কল্যাণ নিধি ( সংশোধন ) অধিনিয়ম, ১৯৮০ (১৯৮০ ৰ ৫১) ৰ ধাৰা ২ ৰ দ্বাৰা অন্তঃস্থাপিত। [ ৩ - ১২ - ১৯৮০ ]

# THE MICA MINES LABOUR WELFARE FUND ACT, 1946

# অভ্ৰখনি শ্ৰম কল্যাণ নিধি অধিনিয়ম, ১৯৪৬

## Glossary of Terms

## পৰিভাষা

| Reference | English Terms | Assamese Equivalent |
|---|---|---|
| Section 1 | Mica Mines | অভ্ৰখনি। |
| Section 2 (1) | Ad-valorem | মূল্যানুসাৰে। |
| Section 3 (2) (iv) | Nutrition | পুষ্টি। |
| Section 3 (2) (a) (iv) | Amelioration | উৎকৰ্ষসাধন। |
| Section 3 (2) (b) | Local authority | স্থানীয় প্ৰাধিকাৰী। |
| Section 4 | Advisory committee | উপদেষ্টা সমিতি। |

## অভ্ৰখনি শ্ৰম কল্যাণ নিধি অধিনিয়ম, ১৯৪৬

### শুধৰণি

| পৃষ্ঠা | ধাৰা | আছে | হব লাগে * |
|---|---|---|---|
| ১ | ২(১) দ্বিতীয় দফা | শুল্কৰ হাৰ | শুল্কৰ হাৰ |
| ৪ | ৬ [(৩) পঞ্চম শাৰী | আৰু যদিহে উপৰোক্ত অধিবেশনৰ অব্যৱহিত পৰৱৰ্ত্তী অধিবেশন, বা ক্ৰমাগত অধিবেশন সমূহৰ অৱসানৰ পূৰ্বে | আৰু যদিহে, উক্ত অধিবেশনৰ বা পূৰ্বোক্ত ক্ৰমাগত অধিবেশন সমূহৰ অব্যৱহিত পৰৱৰ্ত্তী অধিবেশনৰ অৱসানৰ পূৰ্বে। |